# কাক্ৰাপল্লীৰ অভিজ্ঞতা



গ্ৰীণ কলাম

পুলিন কলিতা

**নৌপাড়া** হ'ল ভাৰতৰ পূব উপকূলৰ একমাত্ৰ উপকূলীয় জলাহ (coastal swamp)। অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকাকুলাম জিলাত অৱস্থিত এই জলাহৰে এটা অংশ কাক্ৰাপল্লী জলাহ। এই জলাহখনৰ চাৰিওফালে থকা ৩০খন গাঁৱৰ প্ৰায় ৫০ হেজাৰ অধিবাসীৰ জীৱন-জীৱিকাৰ উৎস ই। ইয়াৰে অন্ততঃ ২০,০০০জন অধিবাসীয়ে ইয়াত কৰে নিমখৰ খেতি, ১০,০০০জনে কৰে সাধাৰণ খেতি আৰু আন ১০-১৫,০০০জন নিৰ্ভৰ কৰে জলাহখনৰ মাছৰ ওপৰত। বংগোপসাগৰ আৰু শ্ৰীকাকুলামৰ মূল ভূমিখণ্ডৰ সংযোগক্ষেত্ৰ এই জলাহ —য'লৈ জোৱাৰৰ সময়ত উঠি অহা পানীৰ লগত আহে পৰ্যাপ্ত মাছ। জোৱাৰত অহা লুণীয়া পানী তুলনামূলকভাৱে উচ্চভূমিত আবদ্ধ কৰি নিমখ আহৰণ কৰা হয় ইয়াতেই। আনহাতে জোৱাৰৰ পানীত উঠি আহি জলাহত আবদ্ধ হৈ পৰা সাগৰীয় মাছ ধৰে ইয়াৰ অভ্যন্তৰত থকা প্ৰায় ৪০টা ডুবিত। ইফালে, সাগৰৰ লুণীয়া পানীয়ে ঢুকি নোপোৱা ঠাইত কৰা হয় ধান আৰু অন্যান্য খেতি। নৌপাড়া-কাক্ৰাপল্লীয়ে এনেদৰে ইয়াৰ খিলঞ্জীয়া (বেছিভাগ উৰিয়া, আনসকল তেলুগু) লোকক জীৱিকা দিছে। একে সময়তে ই ৰক্ষা কৰিছে পাৰিৱেশিক ভাৰসাম্যও ঃ জিলাখনৰ উচ্চভূমি অঞ্চলৰ অতিৰিক্ত পানীভাগ গাৰিকুলা, ভীমাপুৰম আৰু এনুগুলা সুঁতিৰ লগতে ভামছাধাৰা খালৰ অতিৰিক্ত পানীও এইখন জলাহৰ মাজেদিয়ে বংগোপসাগৰত পৰে আৰু অঞ্চলটোক বানৰ পৰা ৰক্ষা কৰে। এই জলাহত থকা একপ্ৰকাৰৰ মেনগ্ৰোভ হাবিয়ে সাগৰীয় ধুমুহাৰ পৰা ৰক্ষা কৰে উচ্চভূমি অঞ্চলক। নৌপাড়া ১২০টা প্ৰজাতিৰ চৰাইৰো বিচৰণস্থলী; আনহাতে ইয়াৰ পৰা ৩.৫ কিলোমিটাৰ নিলগত অৱস্থিত তেলীনীলপুৰম পক্ষী অভয়াৰণ্য।

কাক্ৰাপল্লীৰ আছে এক ঐতিহাসিক গুৰুত্বও। লোণ আইন ভংগ কৰাৰ যি আহ্বান মহাত্মা গান্ধীয়ে দিছিল, সেই আহ্বানত সঁহাৰি দি এই কাক্ৰাপল্লীত সমৱেত হৈছিল পূব উপকূলৰ বিভিন্ন অঞ্চলৰ ভালেসংখ্যক সত্যাগ্ৰহী আৰু লোণ তৈয়াৰ কৰিছিল। সেয়া ১৯৩০ চনৰ ৬ এপ্ৰিলৰ কথা। অঞ্চলটোত লোণ উৎপাদনৰ এয়ে আৰম্ভণি — যি ব্যক্তিগত পৰ্যায়ত, কুটীৰ শিল্প ৰূপত আজিলৈ চলি আছে। ১৯৪০ৰ দশকত লোণ উৎপাদনৰ বাবে বৃটিছ মালিকানাধীন কোম্পানী এটাই বিশাখাপট্টনমত কাৰ্যালয় খুলি ইয়াত কাৰখানা স্থাপন কৰিছিল। ১৯৭০ দশকত এই কাৰখানা বন্ধ হৈ যায়। উল্লেখ কৰিব পাৰি যে বিশাখাপট্টনম মহানগৰৰ পৰা কাক্ৰাপল্লীৰ পথ দূৰত্ব প্ৰায় ৬০০ কিলোমিটাৰ; সুন্দৰ, মসৃণ ৫ নং ৰাষ্ট্ৰীয় পথেদি ইয়ালৈ ঘণ্টাত ১০০ কিলোমিটাৰতকৈ বেগত গাড়ী দৌৰাব পাৰি।





*বোধিতান্দ্ৰাত ধৰ্ণা; কাষত আমাৰ 'গাইড' বুধিয়া। ওপৰত কাক্ৰাপল্লী বিলৰ এটা অংশ। ছবি ঃ লেখকৰ*

এইহেন স্বৰ্গপুৰীলৈ ২০০৮ চনত আগমন ঘটিল এটা দৈত্যৰ, নাম ইষ্ট কোষ্ট এনাৰ্জী প্ৰাইভেট লিমিটেড। এই কোম্পানীটোৱে কাক্ৰাপল্লীৰ ৯৯২ হেক্টৰ মাটি লীজত লৈ ১২,০০০ কোটি টকা বিনিয়োগেৰে এটা কয়লানিৰ্ভৰ তাপবিদ্যুৎ প্ৰকল্প (২৬৪০ মেগাৱাট শক্তি উৎপাদনক্ষম) স্থাপনৰ কাম আৰম্ভ কৰি দিলে। মাটি বিচৰাৰ সময়ত কোম্পানীটোৱে কাক্ৰাপল্লীক আৰ্দ্ৰভূমি (wetland) নহয়, বৰং জলাবদ্ধ (waterloged) অঞ্চল বুলিহে দেখুৱাইছিল আৰু ইয়াৰ পাৰিৱেশিক আৰু অৰ্থনৈতিক গুৰুত্বৰ কথা গোপন কৰিছিল। কেন্দ্ৰীয় বন আৰু পৰিৱেশ মন্ত্ৰণালয়েও চৰজমিন তদন্ত অবিহনেই 'পৰিৱেশ অনুকূল' প্ৰমাণ-পত্ৰ প্ৰদান কৰিছিল কোম্পানীটোক। মাটি পোৱাৰ পিছতেই কোম্পানীটোৱে নিকটৱৰ্তী টিলা খান্দি মাটি আনি জলাহৰ কিছু অংশ পুতিলে; জোৱাৰৰ পানী উদ্যোগক্ষেত্ৰত সোমোৱাত বাধা দিবলৈ এটা বান্ধ সাজিলে আৰু ধৰ্মীয় সুৰসুৰণি দিব পৰাকৈ প্ৰথমেই মন্দিৰ এটা নিৰ্মাণ কৰি লৈ তাৰ পিছত বাকী নিৰ্মাণৰ কাম আৰম্ভ কৰিলে।

কোম্পানীৰ কাম-কাজৰ স্থানীয় প্ৰতিবাদ আৰম্ভ হ'ল; এই প্ৰতিবাদত অগ্ৰণী ভূমিকা ল'লে জলাহখনৰ ওপৰত সৰ্বাধিক নিৰ্ভৰশীল গাঁও বোধিতান্দ্ৰাই। ২০১১ চনৰ ২৮ ফেব্ৰুৱাৰীত নিকটৱৰ্তী ২৯খন গাঁৱৰ জনসাধাৰণ কোম্পানী ভেটিবলৈ ওলাই আহি বোধিতান্দ্ৰা চ'কত মিলিত হ'ল; গুলী চলিল, দুজন লোক থিতাতে নিহত আৰু প্ৰায় ৪০জন লোক আহত হ'ল। নিৰুপায় বন আৰু পৰিৱেশ মন্ত্ৰণালয়ে নিৰ্মাণৰ কাম বন্ধ ৰাখিবলৈ কোম্পানীটোক নিৰ্দেশ দিলে। কাক্ৰাপল্লীত সম্প্ৰতি কাম বন্ধ আছে; পিছে কোম্পানীক্ষেত্ৰ কড়া পুলিচ পহৰাত আছে। ২৭ জুলাইত চি এছ ইৰ পৰিচালনাত সমগ্ৰ দেশৰে প্ৰায় ৭০জন সাংবাদিক উদ্যোগক্ষেত্ৰত উপস্থিত হোৱাৰ পাঁচ মিনিটৰ ভিতৰতে আৰক্ষী উপস্থিত হৈছিল আৰু দলটোক পাছে পাছে অনুসৰণ কৰিছিল!

শ্ৰীকাকুলাম জিলাৰে সোমপেটাৰো অভিজ্ঞতা প্ৰায় একেধৰণৰ। সোমপেটা বিল মিঠাপানীৰ আৰু এই পানী চৰকাৰী আঁচনিৰ জৰিয়তেই খোৱা আৰু জলসিঞ্চনৰ কামত ব্যৱহাৰ হৈ আছে কেইবাটাও দশক। সোমপেটাৰ চৌপাশৰ ৪০খন গাঁৱৰ অধিবাসীয়ে পৰম্পৰাগতভাৱেই বিলখনক মাছৰ উৎস হিচাপে ব্যৱহাৰ কৰি আহিছে। বাৰ্ডলাইফ ইণ্টাৰনেচনেল আৰু বোম্বে নেচাৰেল হিষ্ট্ৰী ছ'চাইটীয়ে 'গুৰুত্বপূৰ্ণ পক্ষী অঞ্চল' (Important Bird Area) ঘোষণা কৰা সোমপেটা ১০০ বিধমান চৰাইৰ বিচৰণস্থলী। বংগোপসাগৰৰ পৰা মাত্ৰ দুই কিলোমিটাৰ দূৰৈত অৱস্থিত সোমপেটা দেশীয় সুৰক্ষাৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ। বছৰেকত এই ভূখণ্ডত তিনিটা খেতি কৰা হয়; মাছৰ দিনত মাছো মৰা হয়। মুঠতে প্ৰতিৰক্ষা আৰু পৰিৱেশ — এই দুয়ো দিশৰপৰাই গুৰুত্বপূৰ্ণ অঞ্চলটো ইয়াৰ খিলঞ্জীয়াসকলৰ জীৱন আৰু জীৱিকাৰ প্ৰধান অৱলম্বন। ইয়াৰেই গোলাগাণ্ডি, বাৰুভা, বেনকিলি আৰু ৰাছিকুড্ডা গাঁৱে সামৰা ৭৬২ হেক্টৰ মাটি দিয়া হৈছিল কয়লানিৰ্ভৰ 'ছুপাৰক্ৰিটিকেল' তাপ বিদ্যুৎ প্ৰকল্প এটা (২×৬৬০ মেগাৱাট শক্তি উৎপাদনক্ষম) স্থাপনৰ বাবে নাগাৰ্জুনা কনষ্ট্ৰাকচন কোম্পানীক। স্বাভাৱিকতেই ২০০7 চনৰ এপ্ৰিলত সাধাৰণভাৱে প্ৰতিবাদ আৰম্ভ হ'ল আৰু ই লাহে লাহে ব্যাপক হৈ আহিল; ২০০৯ চনৰ জুলাইত প্ৰতিবাদ আন্দোলন পৰিচালনাৰ বাবে গঠন হ'ল 'পৰ্যাৱৰণ পৰিৰক্ষণ সমিতি'; ২০১০ চনৰ ১৪ জুলাইত কোম্পানীয়ে অন্ততঃ ৩০০০জন আৰক্ষীৰ বেষ্টনীত উদ্যোগটোৰ আধাৰশিলা স্থাপনৰ আয়োজন কৰিলে; কেইবাহেজাৰ লোকে অঞ্চলটো অৱৰোধ কৰিলে, গুলী চলিল, ফলত দুজন লোক থিতাতে নিহত আৰু ভালেসংখ্যক আহত হ'ল। এই আহতসকলৰ মাজত এজন স্থানীয় টেলিভিছন চেনেল এটাৰ কেমেৰাপাৰ্ছন এজনো আছে, যাৰ পাছমূৰত গুলী সোমাইছিল। তেওঁ আমাৰ ২৭ জুলাইৰ অনুসন্ধানকাৰী দলৰ সৈতে আছিল।

কাক্ৰাপল্লী আৰু সোমপেটাৰ সংগ্ৰামে এহাতে মাটিৰ অধিকাৰ ৰক্ষা কৰাৰ বাবে আনহাতে স্থানীয় সম্পদ নিজস্ব ধৰণে ব্যৱহাৰৰ অধিকাৰ ঊৰ্দ্ধত তুলি ধৰিছে। উভয় ক্ষেত্ৰতে ৰাজনৈতিক নেতা আৰু ব্যৱসায়ীৰ লগত প্ৰশাসনৰ অশুভ মিতিৰালিৰ কথাটো উদঙাই দিছে। কাক্ৰাপল্লী আৰু সোমপেটাৰ জনসাধাৰণৰ ওচৰত এই সংগ্ৰামৰ সহযোগী হিচাপে থিয় দিছে সংবাদ মাধ্যম, ন্যায়ালয় আৰু এচাম দূৰদৰ্শী সচেতন শুভানুধ্যায়ী। সোমপেটা আৰু কাক্ৰাপল্লীৰ যুঁজৰ অন্ত পৰা নাই; সাময়িক যুদ্ধবিৰতিহে হৈছে।

লেখকৰ ফোন ঃ +৯১ ৯৮৬৪২-৯৬১৩১

e-mail : pulalkal@yahoo.com